# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-11-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - -**

১। অসম মন্ত্ৰীসভাৰ সামান্য সম্প্ৰসাৰণৰ লগতে বৰাক উপত্যকাৰ এজন বিধায়কক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ নিৰ্মাণকাৰ্য অন্তিম পৰ্যায়ত। ব্যক্তিগত বাহন আৰু বাছৰ চলাচল শুল্ক মুক্ত হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। ঝাৰখণ্ড মুক্তি মৰ্চাৰ বিধায়িনী দলৰ নেতা হেমন্ত ছোৰেণৰ চতুৰ্থবাৰৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ।

৪। অসমৰ জ্যেষ্ঠ বিজ্ঞানী ড০ ৰাজীৱ গগৈলৈ ডেম ডেউকা প্ৰজাতিৰ উদ্ভিদৰ ক্ষেত্ৰত কৰা গৱেষণাৰ বাবে বিশ্বৰ আগশাৰীৰ আলোচনীৰ স্বীকৃতি। **আৰু**

৫। অসম বক্সিং সন্থাৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটীত ৪৪ সংখ্যক সদৌ অসম চিনিয়ৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতা।

০০০০০

অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি এটা গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে। আজি গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ নিৰ্মাণকাৰ্য পৰিদৰ্শনৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয়, যে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সামান্য হ'ব আৰু বৰাক উপত্যকাৰ পৰা নিৰ্বাচিত এজন বিধায়কক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হ'ব।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ নিৰ্মাণকাৰ্য বৰ্তমান অন্তিম পৰ্যায়ত আছে আৰু অহা বছৰৰ জুলাই মাহৰ ভিতৰত এই দলংখনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'ব। অৱশ্যে এই দলংখন অহা বছৰৰ অক্টোবৰ মাহতহে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। এই দলঙৰ শুল্কৰ হাৰ সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে বক্তব্য আগবঢ়ায়।

**বাইট (চি এম)**

নাৰেঙ্গী আৰু কুৰুৱা সংযোগী দলং আৰু প্ৰস্তাৱিত গুৱাহাটীৰ ৰিং ৰোড সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয়, যে অহা বছৰৰ ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসম ভ্ৰমণলৈ আহিব আৰু সেই সময়তে এই দলং আৰু ৰিং ৰোডৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰিবলৈ প্ৰধানমন্ত্ৰীক অসম চৰকাৰে অনুৰোধ জনাব।

**বাইট (চি এম)**

০০০০০

ঝাৰখণ্ড মুক্তি মৰ্চাৰ বিধায়িনী দলৰ নেতা হেমন্ত ছোৰেণে আজি চতুৰ্থবাৰৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছে। আজি বিয়লি ৰাঁচীৰ মোৰহাবাৰী খেলপথাৰত আয়োজিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল সন্তোষ কুমাৰ গংগোৱাৰে তেওঁক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, পশ্চিমবংগৰ মখ্যমন্ত্ৰী মমতা বেনাৰ্জী, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু, আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱাল, সমাজবাদী পাৰ্টীৰ নেতা অখিলেখ যাদৱ, পি ডি পিৰ নেত্ৰী মেহমুবা মুফতি, শিৱসেনাৰ নেতা উদ্ধৱ ঠাকৰে আৰু আৰ জে ডিৰ নেতা তেজস্বী যাদৱকে ধৰি ইণ্ডি মৰ্চাৰ ভালেকেইগৰাকী নেতা উপস্থিত আছিল। উল্লেখযোগ্য যে সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ঝাৰখণ্ড মুক্তিমৰ্চা নেতৃত্বাধীন মৰ্চাই বিধানসভাৰ ৮১ খন আসনৰ ভিতৰত ৫৬ খন আসন লাভ কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিছিল। ৪৯ বছৰীয়া হেমন্ত ছোৰেন ঝাৰখণ্ডৰ চতুৰ্দশগৰাকী মুখ্যমন্ত্ৰী হ'ব।

ooooo

অসমৰ জ্যেষ্ঠ বিজ্ঞানী ড০ ৰাজীৱ গগৈয়ে ২০১২ চনৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত গৱেষণা কৰি এতিয়ালৈকে কমেও ২০টা প্ৰজাতিৰ ডেম ডেউকা আবিষ্কাৰ কৰিছে। বিজ্ঞানীগৰাকীৰ এই বিষয়টোৱে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতক প্ৰতিনিধিত্ব কৰিছে। উদ্ভিদৰ প্ৰজাতি আবিষ্কাৰৰ এই উল্লেখনীয় গৱেষণাৰ বাবে ড০ গগৈক ছুইজাৰলেণ্ডৰ পৰা প্ৰকাশিত বিশ্বৰ এখন আগশাৰীৰ আলোচনীয়ে স্বীকৃতি প্ৰদান কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি বিজ্ঞানীগৰাকীক অভিনন্দন জ্ঞাপন কৰি এই কথা উল্লেখ কৰে। তেওঁ কয় যে ১৯৪৭ চনৰ পৰা ২০২৩ চনলৈকে বিষয়টোৰ গৱেষণাৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে তেওঁ চতুৰ্থ স্থান পাবলৈ সমৰ্থ হৈছে। ড০ গগৈৰ দলটোৱে কৰা গৱেষণাৰ সাফল্যৰ বাবে ভাৰতীয় উদ্ভিদ বিজ্ঞান জৰীপ বিভাগক বিশ্বৰ ভিতৰতে পঞ্চম প্ৰতিষ্ঠান ৰূপেও চিহ্নিত কৰিছে।

ooooo

দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ ফলত সংসদৰ উভয় সদনৰ কাম-কাজ আজি একেৰাহে তৃতীয় দিনৰ বাবেও স্থগিত ৰাখিবলগীয়া হয়।

লোকসভাত আজি কেৰালাৰ ৱায়নাড়ৰ পৰা নিৰ্বাচিত কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী আৰু মহাৰাষ্ট্ৰৰ নান্দেড় সমষ্টিৰ পৰা নিৰ্বাচিত বিজেপি সাংসদ ৰবীন্দ্ৰ বসন্ত ৰাও চাৱনে শপত গ্ৰহণ কৰাৰ পাছতেই কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে আৰু অন্যান্য বিৰোধী দলসমূহে তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ বিচাৰি সংসদ উত্তাল কৰি তোলে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদৰ গৰিমা আৰু শিষ্টাচাৰ অটুত ৰাখিবৰ বাবে আহ্বান জনায় যদিও সদস্যসকলে হুলস্থূলীয়া পৰিৱেশ অব্যাহত ৰাখে। অধ্যক্ষই উত্তেজিত বিৰোধী সদস্যসকলক নিজৰ আসনলৈ উভতি যাবলৈ কয় আৰু সদনৰ কাম-কাজ ব্যাহত কৰিবলৈ তেওঁলোকে পূৰ্ব-পৰিকল্পিতভাৱে চেষ্টা কৰিছে নেকি বুলি প্ৰশ্ন কৰে। হুলস্থুলীয়া পৰিৱেশৰ মাজতে অধ্যক্ষ বিৰলাই প্ৰশ্নকাল চলাই নিয়াৰ চেষ্টা কৰে যদিও তেওঁৰ প্ৰচেষ্টা ব্যৰ্থ হয়। ইয়াৰ পাছতে অধ্যক্ষই প্ৰথমে দুপৰীয়া ১২ বজালৈ আৰু পাছত দিনটোৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখে।

ৰাজ্যসভাতো আজি দিনটোৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ সময়ত কংগ্ৰেছ সাংসদ প্ৰমোদ তিৱাৰীয়ে ২৬৭ অধিনিয়মৰ অধীনত দেশৰ এটা আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচ গ্ৰহণ আৰু

অন্যান্য বিষয়সমূহ সন্দৰ্ভত সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবী জনায়। তেওঁক অন্যান্য বিৰোধী সদস্যসকলেও সমৰ্থন জনায়। উচ্চ সদনৰ সভাপতি জগদীপ ধনখড়ে বিৰোধী দলসমূহে সভাস্থগিত প্ৰস্তাৱ অগ্ৰাহ্য কৰাত পুনৰ হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয় আৰু সদন দিনটোৰ বাবে স্থগিত ৰখা হয়।

ooooo

কাজিৰঙাত চলি থকা আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আজি তৃতীয় দিনা দেশ-বিদেশৰ প্ৰতিনিধিসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰে। প্ৰতিনিধি দলটোৱে ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰাৰ পাছত অ'ৰ্কিড উদ্যান, হাতীখুলি চাহ বাগিচা পৰিভ্ৰমণ কৰি অসমৰ থলুৱা খাদ্যৰ জুতি লয়। কাজিৰঙাৰ অনুপম সৌন্দৰ্য উপভোগ কৰি পৰ্যটকসকল আপ্লুত হৈ পৰে। পৰ্যটন মেলালৈ অহা মহাৰাষ্ট্ৰ পৰ্যটনৰ ব্ৰেণ্ড এম্বেছাড'ৰ নাভেলি দেশমুখেও কাজিৰঙাৰ সৌন্দৰ্যক প্ৰশংসা কৰে। উল্লেখযোগ্য যে কাইলৈ এই পৰ্যটন মেলাৰ অন্ত পৰিব।

ooooo

চিৰাং জিলাৰ ভূটান সীমান্তৱৰ্তী অঞ্চলত শেহতীয়াকৈ দেখা দিয়া মেলেৰিয়া ৰোগৰ প্ৰাদুৰ্ভাৱজনিত পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে মন্ত্ৰী কেশৱ মহন্তই আজি অঞ্চলটো ভ্ৰমণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ সদৰ কাজলগাঁৱত থকা জিলা অসামৰিক চিকিৎসালয়ত স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ সৈতে পৰিস্থিতি পৰ্যালোচনা কৰি মেলেৰিয়া প্ৰতিৰোধৰ জৰুৰী ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰে। এই আলোচনাত বি টি আৰৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰী, বি টি আৰৰ মুৰব্বীৰ উপদেষ্টা উত্তম নাৰ্জাৰীৰ উপৰি স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ooooo

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ নিৰীক্ষণ সমিতিয়ে আজি শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিভিন্ন চৰকাৰী আঁচনি আৰু প্ৰকল্প ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰে। বিধানসভাৰ বিৰোধীৰ দলপতি দেৱব্ৰত শইকীয়াৰ অধ্যক্ষতাৰ এই নিৰীক্ষণ সমিতিয়ে আজি ডিমৌত নিৰ্মীয়মান ৰাইছাই গ্ৰাম্য ষ্টেডিয়াম, লোকনিৰ্মাণ বিভাগৰ দ্বাৰা নিৰ্মীয়মান ষ্টেডিয়াম সংযোগী পথৰ নিৰ্মাণকাৰ্যৰ বুজ লয়। সমিতিৰ সদস্যসকলে ৰুদ্ৰসাগৰত চলি থকা ষ্টেডিয়ামৰ নিৰ্মাণকাৰ্যও পৰিদৰ্শন কৰে। ৭ গৰাকী সদস্য বিশিষ্ট এই সমিতিয়ে আজি জিলা দুখনৰ নিৰ্মাণকাৰ্য চলি থকা স্থানসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ পাছত সদস্যসকলে কোঁৱৰপুৰৰ বলীয়াঘাটৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিক লৈ অসন্তুষ্টি প্ৰকাশ কৰে। ৰুদ্ৰসাগৰ ষ্টেডিয়াম নিৰ্মাণৰ অনিয়মৰ অভিযোগ সন্দৰ্ভত দলটোৱে শীঘ্ৰেই অনুসন্ধান চলাব আৰু নিৰ্মাণকাৰ্যত গাফলতি প্ৰমাণিত হ'লে বিভাগীয় বিষয়াক জবাবদিহি কৰা হ'ব বুলিও সদস্যসকলে মন্তব্য কৰে।

ooooo

বৰপেটা জিলাত অহা ৩ ডিচেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈ স্বাস্থ্য সেৱা উৎসৱৰ আয়োজন কৰা হৈছে। এই স্বাস্থ্য উৎসৱত জিলাখনৰ স্বাস্থ্য বিভাগৰ অধীনৰ ৰাজহুৱা খণ্ডৰ ৬৮ খন বিভিন্ন পৰ্যায়ৰ চিকিৎসালয়ক সামৰি লোৱা হ'ব। জিলাখনৰ স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিতে এই সন্দৰ্ভত সংবাদমেলযোগে তথ্য প্ৰকাশ কৰে। এই স্বাস্থ্য উৎসৱত পৰ্যবেক্ষকৰ দলে চিকিৎসালয় তথা স্বাস্থ্য কেন্দ্ৰবোৰৰ সকলো দিশ পৰ্যবেক্ষণ কৰাৰ লগতে স্বাস্থ্য কেন্দ্ৰৰ কৰ্তৃপক্ষৰ উপৰি ৰোগী আৰু স্থানীয় লোকৰ সৈতে মত বিনিময় কৰিব।

ooooo

শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে পৰহিলৈ কেইবাটাও শিক্ষা সংগঠনৰ সৈতে দিছপুৰৰ জনতা ভৱনত বৈঠকত মিলিত হ'ব। এই বৈঠকত চাকৰিৰ সেৱা বৃদ্ধি সন্দৰ্ভত আলোচনা কৰা হ'ব। অসম হাইস্কুল শিক্ষক সন্থা, সদৌ অসম চৰকাৰী বিদ্যালয় সেৱা সন্থা, সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থাকে ধৰি কেইবাটাও সংগঠনক এই বৈঠকলৈ আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০

অসম বক্সিং সন্থাৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটীত ৪৪ সংখ্যক সদৌ অসম চিনিয়ৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ খেলসমূহ কাইলৈ আৰম্ভ হ'ব যদিও পৰহিলৈ বিয়লি ৩ বজাত এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। পুৰুষ আৰু মহিলাৰ উভয় শাখাৰ ১০টা ওজন শাখাৰ খেল  অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত ৩ শতাধিক খেলুৱৈয়ে অংশ ল'ব। অহা ২ ডিচেম্বৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব। আজি অসম বক্সিং সন্থাৰ সম্পাদক তথা ভাৰতীয় বক্সিং সংস্থাৰ সচিব হেমন্ত কুমাৰ কলিতাই এই বিষয়ে প্ৰকাশ কৰি কয় যে এই প্ৰতিযোগিতাৰ পৰাই অহা জানুৱাৰীত হ'বলগীয়া এলীট ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসমৰ পুৰুষ আৰু মহিলাৰ দল বাছনি কৰা হ'ব। এই প্ৰতিযোগিতাত অলিম্পিয়ান বক্সাৰ শিৱ থাপা, লাভলীনা বৰগোঁহাই আৰু অসমৰ তাৰকা বক্সাৰ অংকুশিতা বড়ো, যমুনা বড়ো আদিয়ে অংশ ল'ব।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ চমুকৈ বি চি চি আইৰ উদ্যোগত আৰু অসম ক্ৰিকেট সন্থাৰ সহযোগত আজিৰ পৰা বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অসম আৰু কেৰালাৰ মাজত ১৯ বছৰ অনূৰ্ধ কোচবিহাৰ ট্ৰফীৰ খেল অনুষ্ঠিত হৈছে। চাৰিদিনীয়াকৈ অনুষ্ঠিত এই প্ৰতিযোগিতাত আজি অসম দলে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। আয়ুষ্মান মালাকাৰে নেতৃত্ব দিয়া অসম দলটোৱে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ২৩৩ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। আনহাতে দিনটোৰ শেষলৈ কেৰালাই প্ৰথম ইনিংছত ৩টা উইকেটৰ বিনিময়ত ৩৩ ৰান সংগ্ৰহ কৰে।

০০০০০

তিনিচুকীয়া জিলাত তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ বাবে যোগ্য হিতাধিকাৰী বাছনি সম্পৰ্কত আলোচনা কৰিবলৈ আজি জিলাখনৰ আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ নিৰীক্ষণ সমিতিৰ এই বৈঠকত কোনো যোগ্য হিতাধিকাৰীয়ে যাতে আঁচনিৰ সুবিধা গ্ৰহণৰ পৰা বাদ পৰি নাযায় সেই বিষয়ে গুৰুত্ব আৰোপ কৰা হয়। সভাত জিলাখনৰ অভিভাৱক মন্ত্ৰী বিমল বৰাই ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অংশগ্ৰহণ কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ পুৰণি টেলিফোন নম্বৰ ২৬৬০৪২৬ পুনৰ বাহাল কৰা হৈছে। দীৰ্ঘদিন ধৰি এই টেলিফোন নম্বৰটো বিকল হৈ থকাৰ বাবে বাতৰি বিভাগ, আমাৰ সংবাদদাতাসকল আৰু আমাৰ শ্ৰোতাসকল যথেষ্ট আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছিল। ভাৰত সঞ্চাৰ নিগম লিমিটেড চমুকৈ বি এছ এন এলৰ অধীনৰ এই টেলিফোন নম্বৰলৈ মোবাইল ফোনৰ পৰা ০৩৬১- এই কোড ব্যৱহাৰ কৰি ডায়েল কৰিব লাগিব। সংবাদদাতা আৰু সৰ্বসাধাৰণ ৰাইজে ০৩৬১-২৬৬০৪২৬ নম্বৰত টেলিফোন কৰি যিকোনো বাতৰি আৰু মত-অভিমত জনাব পাৰিব।

০০০০০

আজি পুৱতি নিশা নাহৰকটীয়াত পৰলোকপ্ৰাপ্তি ঘটা বিশিষ্ট সাংবাদিক বুলন কুমাৰ শইকীয়াৰ অন্ত্যেষ্টিক্ৰিয়া আজি দুপৰীয়াৰ ভাগত তেওঁৰ বাসভৱনৰ চৌহদত ভালেসংখ্যক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়। শইকীয়াৰ শেষকৃত্যত নাহৰকটীয়াৰ প্ৰাক্তন পৌৰপতি জগদীশ ৰাজকোঁৱৰ, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বিশ্বজিৎ সোণোৱাল আৰু নাহৰকটীয়া, দুলীয়াজান আৰু ডিব্ৰুগড়ৰ ভালেসংখ্যক সংবাদকৰ্মী উপস্থিত আছিল। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, আজি পুৱতি নিশা পৰলোকপ্ৰাপ্তি ঘটা নীতিনিষ্ঠ, আপোচহীন সাংবাদিকগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৪৮ বছৰ। দীৰ্ঘদিন ধৰি যকৃতৰ ৰোগত ভূগি থকা বুলন কুমাৰ শইকীয়াই সাংবাদিকতাৰ লগতে সাহিত্যিক, নিবন্ধকাৰ আৰু কবি ৰূপেও অসমীয়া সাহিত্য জগতত সু-পৰিচিত আছিল। দৈনিক জনমভূমি, আমাৰ অসম, অসমীয়া প্ৰতিদিন আদি কাকতত সাংবাদিকতা কৰাৰ পাছত তেওঁ অধুনালুপ্ত এন ই টি ভিত টেলিভিছন সাংবাদিকতা আৰম্ভ কৰে। তেওঁ কিছুদিন ডি ৱাই থ্ৰী ছিক্স ফাইভ চেনেলত আৰু পৰৱৰ্তী কালত এন কে টি ভি চেনেলত সুখ্যাতিৰে সাংবাদিকতা কৰে। তেওঁ গ্ৰাউণ্ড নিউজ নামেৰে এটা নিউজ প'ৰ্টেল আৰু পযেকীয়া সোমবাৰ আৰু খবৰ চাৰিদিশ নামৰ এখন পযেকীয়া কাকতো সম্পাদনা কৰিছিল। অসমৰ থলুৱা খাদ্য ৰীতি সম্পৰ্কত 'আমাৰ জুটি বুধি' শীৰ্ষক গ্ৰন্থ আৰু ৰাজ্যৰ ভূ-ৰাজনীতি বিষয়ক তেওঁৰ 'আৰাকান ইণ্টেল' শীৰ্ষক উপন্যাসখনে তেওঁক অসমীয়া সাহিত্য জগতত সুপৰিচিত কৰি তুলিছিল। ভগৱান বুদ্ধৰ আদৰ্শৰে অনুপ্ৰাণিত বুলন শইকীয়া বৌদ্ধ ধৰ্ম সম্পৰ্কতো প্ৰচুৰ অধ্যয়নপুষ্ট আছিল। তেওঁৰ মৃত্যুত কেন্দ্ৰীয় বন্দৰ আৰু জাহাজ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা আৰু নাহৰকটীয়া প্ৰেছ গিল্ডকে ধৰি ভালেকেইটা সাংবাদিক সংগঠনে শোক প্ৰকাশ কৰাৰ বাতৰি আমালৈ আহিছে।

০০০০০

সমাপ্ত